...াতাই যাবলৈ দায়বদ্ধ ভূমিকা

# দিছপুৰ মহাবিদ্যালয়ত আইচিচিৰ বৈঠক

গুৱাহাটী, ১৫ জুন ঃ আজি দিছপুৰ মহাবিদ্যালয়ৰ সভা কক্ষত মহাবিদ্যালয়ৰ ইনষ্টিটিউছন ইন ভেছন কাউন্সিলৰ উদ্যোগত চতুৰ্থ পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আইচিচিৰ অগ্ৰগতিৰ নিৰীক্ষকৰূপে উপস্থিত থাকে চিলিকন বিশ্ববিদ্যালয়ৰ আইচিচিৰ অধ্যক্ষ ড° মহেন্দ্ৰ প্ৰসাদ আগষ্টিয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ তত্বাৱধানত অনুষ্ঠিত বৈঠকত মহাবিদ্যালয়ৰ আইচিচিৰ সদস্য আৰু আহ্বায়কসকলৰ মাজত এই কাউন্সিলৰ প্ৰভাৱ মূল্যায়ন কৰি বিভিন্ন নতুন নতুন ধাৰণা ড° আগষ্টিয়ে প্ৰদান কৰে। দিছপুৰ মহাবিদ্যালয়ৰ আইচিচিৰ আহ্বায়ক ড° বিনয় চেতিয়া, ড° নাজনিন আহমেদ, উপাধ্যক্ষা ড° সুনীতা আগৰৱালা, ড° জ্যোতিষ গোস্বামী, ড° শশীমোহন দাস, ভৃগুমোহন গোস্বামী, সঞ্চয় পাটোৱাৰী, পল্লৱী কাশ্যপ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।